জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩১/২০২০

# শৰাইঘাট ৰণৰ প্ৰাককালৰ আলাবৈ ৰণৰ স্মৃতি যুগমীয়া কৰাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে আয়োজিত আলাবৈ স্মৃতি দিৱস অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## আলাবৈ ৰণৰ স্মৃতি চিৰযুগমীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰ্মাণ কৰিব এক যুদ্ধ স্মাৰক ঃ মুখ্যমন্ত্ৰী

ৰাম মন্দিৰ হৈছে ভাৰতবৰ্ষৰ শান্তি-সম্প্ৰীতি, সমন্বয় আৰু বন্ধুত্বৰ প্ৰতীক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম আৰু অসমীয়াৰ শৌৰ্য-বীৰ্য আৰু বীৰত্বৰ চিৰযুগমীয়া অক্ষয় কীৰ্তি ঐতিহাসিক শৰাইঘাট ৰণৰ প্ৰাককালত হোৱা আলাবৈ ৰণত চৰম আত্ম ত্যাগ কৰা শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অসম চৰকাৰৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত তথা কামৰূপ জিলা প্ৰশাসন, শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰাম আৰু আলাবৈ ৰণ স্মৃতি ৰক্ষা সমিতিৰ সহযোগত কামৰূপ জিলাৰ দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আয়োজিত আলাবৈ স্মৃতি দিৱস অনুষ্ঠানত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়াৰ বীৰত্বৰ কাহিনীৰে প্ৰোজ্জ্বল আলাবৈ ৰণত দেশ আৰু জাতিৰ বাবে প্ৰাণাহুতি দিয়া অসমীয়া বীৰলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মোগলৰ বিৰুদ্ধে বীৰ বিক্ৰমেৰে যুঁজ দি প্ৰাণ আহুতি দিয়া বীৰ যোদ্ধাসকলে আমাক এটা শক্তিশালী জাতীয় চেতনা প্ৰদান কৰি গ'ল। আমি আমাৰ মাতৃভূমি ৰক্ষা কৰাৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ বাবে প্ৰস্তুত থাকিব লাগিব। বীৰ শ্বহীদ সকলে যি আত্ম বলিদান দিলে ইয়াৰ বাবে পৰৱৰ্তী সময়ত লাচিত বৰফুকনে বিভিন্ন জাতি-জনগোষ্ঠীক আস্থাত লৈ বীৰ-বিক্ৰমেৰে মোগলৰ বিৰুদ্ধে যুঁজি অসমীয়াৰ স্বাভিমান ৰক্ষা কৰিলে। আমি এই ৰণৰ পৰা শিকিবলগীয়া বহু কথা আছে। উঠি অহা প্ৰজন্মই অসমখনক আবিষ্কাৰ কৰিব লাগিব। অসমৰ ইতিহাস জানিব লাগিব, সেই বাবে আজি আলাবৈ ৰণৰ বীৰ যোদ্ধাসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অঞ্চলৰ ইতিহাসক বিশ্বৰ এক শক্তিশালী কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৌৰৱান্বিত ইতিহাস বিশ্ববাসীৰ সন্মুখলৈ নিবলৈ যুদ্ধ স্মাৰক নিৰ্মাণ কৰিব লাগিব। এই ক্ষেত্ৰত স্থানীয় ৰাইজক আন্তৰিকতাৰে সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়।

স্থানীয় বিধায়ক তথা বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতৰ বিশেষ প্ৰচেষ্টাত ২০০৫ চনৰ পৰা এই মহৎ স্থানত আলাবৈ ৰণত আত্ম বলিদান দিয়া বীৰ যোদ্ধাসকলৰ স্মৃতি যাতে সজীৱ হৈ থাকে তাৰ বাবে যি প্ৰচেষ্টা লোৱা হ'ল তাৰ ফলশ্ৰুতিত বিশ্বৰ অন্যতম শক্তিশালী যুদ্ধ স্মাৰক হিচাপে নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰাম, আলাবৈ ৰণ স্মৃতি ৰক্ষা সমিতি আৰু স্থানীয় ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। লাচিত বৰফুকনে সকলো জাতি-জনগোষ্ঠীৰ জনসাধাৰণক লগত লৈ মোগলক পৰাভূত কৰিছিল। সমন্বয়ৰ এই নিদৰ্শন তথা সেঁতু সেই সময়তে শক্তিশালীভাৱে তেখেতে গঢ় দিছিল। এই নীতিৰ আধাৰতে অসমৰ জনসাধাৰণে ৰাজ্যখনক বিদেশী মুক্ত কৰাৰ বাবে যাত্ৰা আৰম্ভ কৰিছে। ভৱিষ্যতে কোনেও যাতে আমাক পৰাভূত কৰিব নোৱাৰে তাৰ বাবে অসমৰ নতুন প্ৰজন্মই ৰাজ্যখনৰ স্বাভিমান, নিজস্ব কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, ঐতিহ্য ৰক্ষা কৰিব লাগিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো অত্যন্ত পৱিত্ৰ দিন। অযোধ্যাত ভগৱান ৰামচন্দ্ৰৰ জন্মভূমিত আজি ৰাম মন্দিৰৰ ভূমিপূজন হৈছে। এয়া সমগ্ৰ ভাৰতীয় সভ্যতা, সংস্কৃতিৰ বিকাশৰ দিশত নিষ্ঠাৰে আত্মনিয়োগ কৰা প্ৰতিজন ভাৰতীয়ৰ বাবে এক গৌৰৱৰ বিষয়। কাৰণ ৰাম মন্দিৰ হৈছে ভাৰতবৰ্ষৰ শান্তি-সম্প্ৰীতি, সমন্বয় আৰু বন্ধুত্বৰ প্ৰতীক। মহামানৱ মহাত্মা গান্ধীয়ে স্বাধীনতাৰ সময়তে মনে প্ৰাণে বিচাৰিছিল ভাৰতবৰ্ষৰ বুকুত ৰাম ৰাজ্য প্ৰতিষ্ঠা হওঁক। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাপুজীৰ সপোনক দিঠকত পৰিণত কৰাৰ বাবে কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে, অৰুণাচল প্ৰদেশৰ পৰা গুজৰাটলৈকে এই বিশাল উপ-মহাদেশত বসবাস কৰা বিভিন্ন ভাষা-ভাষী, জাতি, ধৰ্মাৱলম্বী লোকৰ মাজত সমন্বয়ৰ ধাৰা শক্তিশালী ৰূপত নিৰ্মাণ কৰাৰ উদ্দেশ্যে ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰিছে। এই কাৰ্যই ভাৰতবৰ্ষক বিশ্বৰ বুকুত অধিক শক্তিশালী কৰি তুলিব আৰু শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক শক্তিশালী কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আলাবৈ যুদ্ধত অসমীয়া সৈন্যই সাহস প্ৰদৰ্শন কৰি যি চৰম ত্যাগ কৰিলে তাক ৰাজ্যবাসীয়ে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এই বীৰ যোদ্ধাসকলৰ ত্যাগে ৰাজ্যবাসীক সদায়ে সাহস যোগাই যাব। ৰাজ্য চৰকাৰে এই ৰণৰ স্মৃতি যুগমীয়া কৰাৰ বাবে নিৰ্মাণ কৰিবলগীয়া যুদ্ধ স্মাৰকৰ বাবে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব। এই যুদ্ধ স্মাৰকৰ বাবে ইতিমধ্যে ভূমি নিৰ্দ্ধাৰণ কৰা হৈছে বুলিও মন্ত্ৰী গৰাকীয়ে কয়।

জলসম্পদ, পুথিভঁৰাল, প্ৰত্নতাত্ত্বিক ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আলাবৈ ৰণৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে তেওঁৰ বিভাগে এই ৰণত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে সকলো ধৰণৰ প্ৰয়াস চলাই যাব।

সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰে আদৰণী ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত আলাবৈ ৰণৰ সৈন্য সকলে কৰা চৰম ত্যাগৰ আলোকপাতেৰে প্ৰস্তুত কৰা এটা ভিডিঅ' প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত বিধায়ক সত্যব্ৰত কলিতা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, সদৌ অসম

আহোম সভাৰ সভাপতি উমা কোঁৱৰ, দৰঙী কোঁচ ৰাজবংশৰ পৰিয়ালৰ সদস্য ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱ, মিচিং ডিৰ্‌বি কেবাঙৰ উপ-সভাপতি অৰুনী মিলি, দেউৰী জাতীয় মঞ্চৰ সম্পাদক দ্বীপেন দেউৰী, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব তথা পূৰ্বাঞ্চল টাই সাহিত্য পৰিষদৰ সভাপতি ড° দয়ানন্দ বৰগোঁহাই প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**৫/০৮/২০২০**